**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
**Date :** 04-03-2025 **Time :** 0900 Hrs.

# Assamese Morning Bulletin
## Headlines

১। ৰাজ্যত ক্রমাৎ অপৰাধমূলক ঘটনা হ্রাস পাইছে বুলি সদনত মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্রকাশ।

২। ছত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত শ্রীমন্ত শংকৰদেৱৰ নামত আসন প্রতিষ্ঠাৰ বাবে ৰাজ্যখনৰ বাজেটত পুঁজি আবণ্টন।

৩। ৰাজ্য চৰকাৰে বিভিন্ন পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজিৰ পৰা পৰ্যায়ক্রমে ঘোষণা।

৪। ৰাষ্ট্রপতি ভৱনৰ অমৃত উদ্যানত 'অসমৰ চাহ'ৰ বিপনী স্থাপনৰ বাবে সৰভোগৰ যুৱক প্রাঞ্জন কুমাৰ ৰয়ক আমন্ত্রণ।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্রফী ক্রিকেট প্রতিযোগিতাৰ প্রথমখন ছেমিফাইনেলত ডুবাইত আজি ভাৰত অষ্ট্রেলিয়াৰ মুখামুখি।

০০০০০০০

———ৰাজ্যত ক্রমাৎ হত্যা, ধৰ্ষণকে ধৰি বিভিন্ন অপৰাধমূলক ঘটনা হ্রাস পাইছে বুলি মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সদনৰ মজিয়াত প্রকাশ কৰিছে। গৃহ বিভাগৰ দায়িত্বত থকা ড° শৰ্মাই আইন-শৃংখলা সম্পৰ্কীয় এটা প্রশ্নৰ উত্তৰত বিগত কেইবাটাও বছৰৰ অপৰাধমূলক ঘটনাৰ তথ্য দাঙি ধৰি গুৱাহাটী মহানগৰীত সংঘটিত ধৰ্ষণৰ ঘটনাসমূহ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰক্ষীৰ টহল বৃদ্ধি কৰিছে বুলি সদৰি কৰিছে। তদুপৰি বিভিন্ন হোটেল, বাৰ আদিত চকু ৰখাৰ উপৰি এনে ঘটনাৰ ক্ষিপ্র তদন্তৰ ব্যৱস্থা কৰি দোষীৰ ওপৰত আইন সংগত ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। বিধায়ক ৰমেন্দ্র নাৰায়ণ কলিতাৰ এটা লিখিত প্রশ্নৰ উত্তৰত ড° শৰ্মাই দিয়া তথ্য অনুসৰি ২০২০ চনত এহেজাৰ ১৩১ টা, ২০২১ চনত এহেজাৰ ১৯২ টা, ২০২২ চনত এহেজাৰ ৭২ টা, ২০২৩ চনত এহেজাৰ ২৫ টা, ২০২৪ চনত ৯২৬ টা আৰু চলিত বৰ্ষৰ ২৩ ফেব্রুৱাৰী পৰ্যন্ত ৰাজ্যত ১০২ টা হত্যাৰ ঘটনা সংঘটিত হৈছে। একেদৰে ২০২০ চনত এহেজাৰ ৬৫৭ টা, ২০২১ চনত এহেজাৰ ৭৩৩ টা, ২০২২ চনত এহেজাৰ ১১৩ টা, ২০২৩ চনত ৯৮৯ টা, ২০২৪ চনত এহেজাৰ ১৯ টা আৰু চলিত বৰ্ষৰ ২৩ ফেব্রুৱাৰী পৰ্যন্ত ১২১ টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। ড্রাগছ, ভাং, হেৰ'ইন আদিৰ ব্যৱসায় প্রতিৰোধৰ বাবে ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত গ্রহণ কৰা ব্যৱস্থাৰ কথাও তেওঁ সদনৰ মজিয়াত উল্লেখ কৰে।

০০০০০০০

যোৰহাটৰ পৰা মাজুলী সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য ৩০ শতাংশৰো অধিক সম্পূৰ্ণ হৈছে আৰু এই দলংখনৰ বাবে এতিয়ালৈ প্রায় ২৮০ কোটি ৬৬ লাখ টকা ব্যয় কৰা হৈছে। লোকনিৰ্মাণ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি অসম বিধানসভাত বিধায়ক ভৰত চন্দ্র নৰহৰ এটা প্রশ্নৰ উত্তৰত এই বিষয়ে প্রকাশ কৰে। তেওঁ কয়, যে এই দলং নিৰ্মাণ প্রকল্পৰ বাবে ৯২৫ কোটি ৪৭ লাখ টকা ব্যয়ৰ অনুমোদন

জনোৱা হৈছিল যদিও এতিয়া এই ব্যয়ৰ প্ৰস্তাৱিত পৰিমাণ সংশোধিত কৰি এহেজাৰ ২৭৯ কোটি ৮৮ লাখ টকালৈ বৃদ্ধিৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে ২০২১ চনৰ শেষৰ ফালে দলংখন নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল যদিও এই কাম মাজতে বন্ধ আছিল। যোৱা বছৰৰ ছেপ্তেম্বৰত দলংখনৰ কাম পুনৰ আৰম্ভ কৰা হয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা চলিত বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠকত গুৱাহাটীৰ চাৰিওফালে যাতায়াত ব্যৱস্থা উন্নত কৰাৰ বিষয়তো আলোচনা কৰা হয়। তদুপৰি গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে।

০০০০০০০

ছত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠা কৰা হ'ব বুলি ৰাজ্যখনৰ ৰাজ্যপাল তথা পূৰ্বৰ মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাই কালি গুৱাহাটীত এখন সংবাদমেলত প্ৰকাশ কৰিছে। ৰাজ্যপালগৰাকীয়ে সদৰি কৰা মতে ইয়াৰ বাবে ৰাজ্যখনৰ বাজেটত ২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ছত্তিশগড়ৰ ৰাজ্যভাষাতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজিক লৈ শিক্ষাৰ্থীসকলে গৱেষণা কৰিব পাৰিব বুলি শ্ৰীডেকাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে গুৱাহাটীৰ উজানবজাৰৰ মহিলা ভাওনা দলে ছত্তিশগড়ত গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা প্ৰদৰ্শন কৰিব। অসমত শীঘ্ৰে ছত্তিশগড় ভৱন নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীডেকাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ছত্তিশগড়তো অসম ভৱন স্থাপনৰ বাবে আহ্বান জনায়। ছত্তিশগড়ত ৰাজ্যখনৰ ৰাজ্যপাল ৰমেন ডেকাৰ তৎপৰতাত মহাপুৰুষজনাৰ নামত বিশ্ববিদ্যালয়ত আসন প্ৰতিষ্ঠা কৰিবলৈ লোৱা সিদ্ধান্তক মুখ্যমন্ত্ৰী ড° শৰ্মাই আদৰণি জনাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সংস্কৃতি প্ৰসাৰৰ ক্ষেত্ৰত এয়া উল্লেখনীয় বতৰা বুলি ড° শৰ্মাই মতপোষণ কৰিছে। দেশৰ প্ৰেক্ষাপটত পাঞ্জাৱ বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পাছত ৰায়পুৰৰ পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱ আসন প্ৰতিষ্ঠাৰ বাবে ৰাজ্যপাল ৰমেন ডেকা তথা ছত্তিশগড় চৰকাৰক মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে বিভিন্ন পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজিৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা মতে অসম আৰক্ষীৰ গাড়ী চালকৰ পদত নিযুক্তি দিয়াৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হ'ব। সেইদৰে অহা ৬ মাৰ্চত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ আৰু ৭ মাৰ্চত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়ানৰ কনিষ্টবল পদৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰীক্ষাত উত্তীৰ্ণসকলক আগতীয়াকৈ শুভেচ্ছা জ্ঞাপন কৰিছে। অনুত্তীৰ্ণসকলক হতাশ নহৈ অহা বছৰ পুনৰ চেষ্টা কৰাৰ বাবে তেওঁ পৰামৰ্শ দিছে।

-বাইট-

০০০০০০০০

নিৰ্বাচন আয়োগে আজিৰেপৰা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ বাবে নতুন দিল্লীত এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ পাছত এয়া হৈছে এনেধৰণৰ প্ৰথমখন সন্মিলন। এই দুদিনীয়া সন্মিলনে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনী বিষয়াসকলক বুদ্ধিমত্তা আৰু পাৰস্পৰিক শিকন অভিজ্ঞতা গ্ৰহণৰ সুযোগ দিব। এই সন্মিলনত IT Architecture, ফলপ্ৰসূ যোগাযোগ ব্যৱস্থা, সামাজিক মাধ্যম ব্যৱহাৰৰ প্ৰসাৰ বৃদ্ধিৰ লগতে আধুনিক নিৰ্বাচন ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি ভৱনৰ প্ৰসিদ্ধ অমৃত উদ্যানত 'অসমৰ চাহ'ৰ এখন বিপনী স্থাপনৰ বাবে ৰাষ্ট্ৰপতিৰ সচিবালয়ে সৰভোগৰ বাসিন্দা প্ৰাঞ্জন কুমাৰ ৰয়ক আমন্ত্ৰণ জনাইছে। সমগ্ৰ দেশকে 'অসমৰ চাহ'ৰ প্ৰকৃত সোৱাদ দিয়াৰ উদ্দেশ্যেৰে যুৱ উদ্যমী প্ৰাঞ্জন কুমাৰ ৰয়ে 'ৰিভাৰ বেঁকী টি কোম্পানী'ৰ জৰিয়তে প্ৰচেষ্টা চলাই আহিছে। অভিযন্তা ৰয়ে কৰ্প'ৰেট জগতৰ চাকৰি ত্যাগ কৰি অসমৰ চাহৰ সোৱাদ দেশবাসীক দিয়াৰ উদ্দেশ্যেৰে বিভিন্ন অনুষ্ঠান, সমাৰোহ, সমাবেশ আদিৰ জৰিয়তে প্ৰচেষ্টা চলাই আহিছে। শ্ৰী ৰয়ে সদ্যসমাপ্ত মহাকুম্ভ মেলাৰ কলাগ্ৰামতো কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰণালয়ৰ অনুৰোধত চাহৰ বিপণী দি সমাদৃত হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰাঞ্জন কুমাৰ ৰয়ৰ বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰি যুৱকজনৰ এই প্ৰচেষ্টা আৰু সাফল্য ৰাজ্যখনৰ বাবে আশাব্যঞ্জক বুলি প্ৰকাশ কৰিছে।

০০০০০০০

ডিগবৈ সংৰক্ষিত বনাঞ্চলৰ ডিব্ৰু নৈৰ সমীপত কালি সেনা বাহিনী আৰু আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই মাটিত পুতি থোৱা অৱস্থাত বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। অভিযানকাৰী দলটোৱে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ এজন আত্মসমৰ্পণকাৰী সদস্যৰ স্বীকাৰোক্তিৰ ভিত্তিত এই সামগ্ৰীসমূহ জব্দ কৰে। উল্লেখযোগ্য যে, বিগত কেইটামান দিনত তিনিচুকীয়া জিলাৰ ৪ গৰাকী আলফা স্বাধীনৰ সদস্যই আত্মসমৰ্পণ কৰে। ইয়াৰে দুজন সদস্যক তিনিচুকীয়া আৰক্ষীয়ে জেৰা কৰাৰ পাছত এই বিস্ফোৰক লুকুৱাই থোৱাৰ কথা পোহৰলৈ আহে। আৰক্ষীয়ে অভিযানকালত প্ৰায় ৩০ কিলোগ্ৰাম ওজনৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে।

ইপিনে, আছাম ৰাইফলছ আৰু অৰুণাচল প্ৰদেশ আৰক্ষীয়ে প্ৰতিবেশী ৰাজ্যখনৰ নামচাই আৰু চাংলাং জিলাৰ মানাভূম সংৰক্ষিত বনাঞ্চলত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত এটা দলৰ অৱস্থিতিৰ তথ্য লাভ কৰি অভিযান আৰম্ভ কৰিছে। নামচাইৰ আৰক্ষী অধীক্ষকে প্ৰকাশ কৰা মতে এই অঞ্চলটোৰে উগ্ৰপন্থীৰ আহ-যাহ ৰোধ কৰাৰ বাবে প্ৰৱেশ আৰু প্ৰস্থান পথসমূহ ছীল কৰি দিয়া হৈছে।

০০০০০

দেশৰ ৮খন ৰাজ্যৰ মাজেৰে যোৱা ২৮ খন নদীত চলোৱা এটা জৰিপ অনুসৰি মুঠ ৬ হেজাৰ ৩২৭ টা শিহুৰ অৱস্থিতিৰ তথ্য পোৱা গৈছে। ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰকে ধৰি নদীসমূহত ৬৩৫ টা শিহুৰ অৱস্থিতিৰে অসমে দেশৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছে। ২০২০ চনত এই জৰিপ আৰম্ভ কৰা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গুজৰাটৰ গীৰ ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ সপ্তম বৈঠকত অংশ লোৱাৰ সময়ত এই জৰিপ সম্পৰ্কীয় প্ৰতিবেদন মুকলি কৰে। দেশত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই জৰিপ ৮ হাজাৰ ৫০০ কিলোমিটাৰ নদীপথ সামৰি ৩ হাজাৰ ১৫০ টা কৰ্মদিনত সম্পূৰ্ণ কৰা হৈছে বুলি পৰিৱেশ মন্ত্ৰালয়ে এটা

বিবৃতি যোগে প্ৰকাশ কৰিছে। অসমৰ ব্ৰহ্মপুত্ৰ, কুলশী আৰু সোৱণশিৰি নদীত এই শিহু থকাৰ তথ্য পোৱা গৈছে।

০০০০০

নাগালেণ্ডৰ ৰাজনৈতিক বিষয়সমূহৰ সমাধানৰ বাবে ৰাজ্যখনৰ বিধানসভাই এক গোট হৈ ব্যৱস্থা গ্ৰহণৰ বাবে সিদ্ধান্ত লৈছে বুলি ৰাজ্যপাল লা গণেশনে প্ৰকাশ কৰিছে। ক'হিমাত কালি নাগালেণ্ড বিধানসভাৰ অধিৱেশনৰ প্ৰথম দিনা দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী নেইফিউৰিঅ'ৰ নেতৃত্বত চৰকাৰে যোৱা বছৰৰ ১২ ডিচেম্বৰত নাগালেণ্ডৰ জনজাতীয় সংগঠন আৰু নাগৰিক সমাজৰ সৈতে এই বিষয় সন্দৰ্ভত আলোচনাত মিলিত হৈছিল। মুখ্যমন্ত্ৰীৰ নেতৃত্বত তেওঁৰ মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্যই যোৱা বছৰৰ ২১ নৱেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি নাগালেণ্ডৰ ৰাজনৈতিক সমস্যাৰ ক্ষীপ্ৰ সমাধান সন্দৰ্ভত আলোচনা কৰিছিল। নাগালেণ্ড চৰকাৰে ইতিমধ্যে এই সন্দৰ্ভত স্মাৰকপত্ৰৰ তৃতীয়টো খচৰাও দাখিল কৰিছে। বিষয়টো সন্দৰ্ভত দুলানি আলোচনা অনুষ্ঠিত হৈছে বুলিও ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে। শ্ৰী গণেশনে শীঘ্ৰে এই বিষয়টো নিস্পত্তি হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ অনুষ্ঠানত কালি প্ৰখ্যাত এথলিট তথা ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত এথলিটগৰাকীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সৃষ্টি কৰা ক্ৰীড়াৰ পৰিৱেশে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ সৃষ্টি কৰাত অৰিহণা যোগাব বুলি মন্তব্য কৰে। শ্ৰী সোণোৱালে নিজৰ ভাষণত কয়, যে অসমে বিশ্বৰ বুকুত নিজৰ স্থিতি শক্তিশালীৰূপত প্ৰতিষ্ঠা কৰিবলৈ হ'লে শিক্ষাৰ সমানেই সংস্কৃতি, গৱেষণা, ক্ৰীড়া আদিৰ ক্ষেত্ৰতো সফলতাৰ খতিয়ান দিব লাগিব। যুৱ শক্তি দেশৰ মহা শক্তি আৰু এই শক্তিয়ে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তে এখন সুস্থ-সৰল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলি তেওঁ কয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ সমান্তৰালকৈ সৃষ্টি শীলতা আৰু উদ্ভাৱনৰ দিশত গুৰুত্ব দি নিজৰ সুপ্ত প্ৰতিভাৰ বিকাশেৰে দেশৰ প্ৰগতিৰ অনিৰুদ্ধ যাত্ৰাক শক্তিশালীৰূপত আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

এই অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০

চলিত অসম বিধানসভা অধিৱেশনৰ কালিৰ কাৰ্যসূচী আৰু লছ এঞ্জেলছৰ দলবী থিয়েটাৰত অনুষ্ঠিত ৯৭ সংখ্যক অস্কাৰ বঁটা ঘোষণা অনুষ্ঠানৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ঠাই পাইছে।

ছত্তিশগড়ৰ ৰায়পুৰত অৱস্থিত পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠা হ'ব বুলি ছত্তিশগড়ৰ ৰাজ্যপাল তথা অসমৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাই ঘোষণা কৰে। এই বাতৰিটো **দৈনিক অসমৰ** লগতে কেইবাখনো কাকতে প্ৰকাশ কৰিছে।

অসম চুক্তিৰ আধাৰত বিগত ৩১ জানুৱাৰীলৈকে মুঠ ১ লাখ ৬৫ হাজাৰ ৯৯২ গৰাকী বিদেশী লোক চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ৩০ হাজাৰ ১১৫ গৰাকীক বহিষ্কাৰ কৰা হৈছে। কালি বিধানসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাঙি ধৰা এই তথ্যৰ ভিত্তিত **দৈনিক জনমভূমি** কাকতে বাতৰি প্ৰকাশ কৰিছে।

বিশ্ব বন্যপ্ৰাণী দিৱসত কালি গিৰ ৰাষ্ট্ৰীয় উদ্যান চৌহদত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ সপ্তম বৈঠকত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিপন্ন বন্যপ্ৰাণী সংৰক্ষণ, বনজুই নিয়ন্ত্ৰণ, বন্যপ্ৰাণী-মানৱ সংঘাত নিৰ্মূলৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা আৰু নতুন প্ৰযুক্তি ব্যৱহাৰৰ পোষকতা কৰিছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে ফটোসহ প্ৰকাশ কৰিছে।

চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীত গুৱাহাটীৰ চচলত তিনিটা সংগঠনে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি তথা যশস্বী দৌৰবিদ পি টি উষাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিদ্যালয় সপ্তাহৰ কালি শুভাৰম্ভ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে ফটোসহ সবিস্তাৰে প্ৰকাশ কৰিছে।

সংগীত নাটক একাডেমী বঁটা, বিষ্ণুৰাভা বঁটা প্ৰাপক ব্যাস সংগীতৰ আজন্ম সাধক লোকশিল্পী, শিল্পী পেঞ্চনাৰ ধৰ্মেশ্বৰ নাথ ওজাৰ কালি দেহাৱসান ঘটে। এই বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰকাশ কৰিছে।

অসমৰ চাহ জনগোষ্ঠীৰ চহকী ঝুমুৰ নৃত্যক বিশ্বত চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে ছহেজাৰ পৰীক্ষাৰ্থীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ নহ'ল। এইসকল পৰীক্ষাৰ্থীক পুনৰ পৰীক্ষা দিয়াৰ দাবী সন্দৰ্ভত **আমাৰ অসম** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰত ৬৩৫ টা শিহুৰ অৱস্থিতি ধৰা পৰিছে বুলি এটা সমীক্ষাত প্ৰকাশ পাইছে। এই সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতে Survey records 635 river dolphins in Brahmapurtra শিৰোনামেৰে প্ৰকাশ পাইছে।

অবৈধ বাংলাদেশী চিনাক্তকৰণ আৰু প্ৰত্যাৱৰ্তন কৰোৱাটো এটা বৃহৎ সমস্যা হিচাপে দেখা দিছে। এই সন্দৰ্ভত **দা ছেণ্টিনেল** কাকতে 85 Thousand 24 declared foreigners in the state remain at large শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০০

ডুবাইত আজি আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। গ্ৰুপ-এত থকা ভাৰতে ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰি আটাইকেইখন মেচত জয়লাভ কৰাৰ সুবাদত গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰিছে। নিউজিলেণ্ডে কাইলৈ লাহোৰত গ্ৰুপ-বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ সৈতে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

০০০০০

দৰং জিলাৰ ছিপাঝাৰ হাতীমুৰিয়া নিবাসী সংগীত নাটক একাডেমীৰ অমৃত বঁটা, ৰাজ্য চৰকাৰৰ বিষ্ণু ৰাভা বঁটা আৰু শিল্পী পেন্সন লাভ কৰা ব্যাস সংগীতৰ বিশিষ্ট শিল্পী ধৰ্মেশ্বৰ নাথৰ কালি বিয়লি চিকিৎসাধীন

অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। শিল্পীগৰাকী কালি হঠাৎ অসুস্থ হৈ পৰাত তেওঁক মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ধৰ্মেশ্বৰ নাথৰ মৃত্যুত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। শিল্পীগৰাকীয়ে ১৯৮৪ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীৰ মৰ্যাদা লাভ কৰি নিয়মীয়াকৈ ওজাপালি পৰিৱেশন কৰি আহিছিল।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ লগতে অসমৰ বিভিন্ন ঠাইত পাতলীয়া বৰষুণ হোৱাৰ আগলি বতৰা দিছে। আনহাতে, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা আছে।

০০০০০০০

**সমাপ্ত**